**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-05-2024
**Time :** 1800 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**:::::::::::::::::::::::::::::::::::::**

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা উদ্যানৰ দুৱাৰ অহা ১৫ মে’ৰ পৰা দেশী-বিদেশী পৰ্যটকৰ বাবে বন্ধ কৰা হ’ব। বিগত বৰ্ষৰ ১৫ অক্টোবৰত মুকলি হোৱা ২০২৩-২৪ পৰ্যটন বৰ্ষৰ অহা ১৫ মে’ত অন্ত পৰিব। ইতিমধ্যে যোৱা পহিলা মে’ৰ পৰা উদ্যানখনত হাতী চাফাৰী বন্ধ কৰি দিয়া হৈছে। ২০২৩-২৪ পৰ্যটন বৰ্ষত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে পূৰ্বৰ সকলো অভিলেখ ভংগ কৰিবলৈ সক্ষম হয়। এই পৰ্যটন বৰ্ষটোত বৰ্তমানলৈকে ৩০ হাজাৰ ৯১৯ গৰাকী বিদেশী পৰ্যটককে ধৰি ৩ লাখ ২৭ হাজাৰ ৪৯০ গৰাকী পৰ্যটকে কাজিৰঙা ভ্ৰমণ কৰাৰ তথ্য লাভ কৰা হৈছে। এই সময়ছোৱাত উদ্যান কৰ্তৃপক্ষই ৮ কোটি ৮০ লাখ টকাৰ ৰাজহ লাভ কৰিছে।

ooooo

ঢকুৱাখনাৰ চাৰিকড়িয়া নৈ পাৰত অৱস্থিত মহঘুলি চাপৰিত আজিৰে পৰা তিনি দিনীয়া কাৰ্যসূচীৰে ফাট বিহু অনুষ্ঠিত হৈছে। বিগত বৰ্ষৰ দৰে এইবাৰো বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত হোৱা ফাট বিহুৰ প্ৰথম দিনা উদুলি-মুদুলি পৰিৱেশে বিৰাজ কৰিছে। আজি প্ৰথমদিনা স্থায়ী সমিতিৰ সভাপতি বসন্ত শইকীয়াই পতাকা উত্তোলন কৰাৰ পাছতে স্মৃতি তৰ্পণ কাৰ্যসূচী অনুষ্ঠিত হয়। উদযাপন সমিতিৰ সভাপতি মুকুল গগৈয়ে স্মৃতি তৰ্পণ কৰে। আনহাতে গিৰিন গগৈয়ে মঞ্চ মুকলি কৰে। ফাট বিহুৰ আজি প্ৰথমদিনা টকা বিহু আৰু চেমনিয়া হুচৰি প্ৰতিযোগিতা অনুষ্ঠিত হয়। কপৌ ফুল আৰু গছপুলি ৰোপণেৰে ফাট বিহুৰ কাইলৈ দ্বিতীয় দিনাৰ কাৰ্যসূচী আৰম্ভ হ’ব। ইয়াৰ পাছতে গামোচা প্ৰতিযোগিতা, হুচৰি প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। কাইলৈ ফাট বিহুৰ বছৰেকীয়া স্মৰণিকা **বিহুৱান** উন্মোচন কৰা হ’ব। ফাট বিহুৰ অন্তিম দিনা হ’বলগীয়া মুকলি সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। মুকলি সভাত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বৰা, সাংসদ প্ৰদান বৰুৱাকে ধৰি বহুকেইজন মন্ত্ৰী বিধায়ক আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

ooooo

অসম ৰাজ্যিক সাংবাদিক সন্থাৰ দশক বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আজি দিনযোৱা কাৰ্যসূচীৰে শিৱসাগৰত অনুষ্ঠিত কৰা হয়। শিৱসাগৰ জিলা সাংবাদিক সংস্থাৰ কাৰ্যালয়ত অনুষ্ঠিত এই দিৱসৰ সৈতে সংগতি ৰাখি আচাম ট্ৰিব্ৰিউন কাকতৰ কাৰ্যবাহী সম্পাদক তথা মিডিয়া কোষৰ অধ্যক্ষ প্ৰশান্ত জ্যোতি বৰুৱাক ২০২৪ বৰ্ষৰ ব্ৰহ্মপুত্ৰ উপত্যকা সাংবাদিক বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত ভাৰতীয় সাংবাদিক সংঘৰ সচিব প্ৰধান সাবানায়কন চেলভা কুমাৰস্বামী প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

ooooo

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ে কাৰ্বন শোষণৰ বাবে এক কোটি গছপুলি ৰোপণৰ পদক্ষেপ হিচাপে নতুন দিল্লীৰ শক্তি আৰু সম্পদ প্ৰতিষ্ঠান- টেৰী আৰু ৰিনিউ পাৱাৰ চিনাৰিজ প্ৰাইভেট লিমিটেডৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। এই চুক্তিৰ জৰিয়তে অসমৰ বিভিন্ন প্ৰান্তৰ কৃষকসকলৰ সহযোগত

ৰোপণ কৰিবলগীয়া গছপুলিবোৰৰ ৩ বছৰৰ পাছত ডাঙৰ হোৱা গছবোৰত জমা হোৱা কাৰ্বন বিশেষ পদ্ধতিৰে মূল্যায়ন কৰি আন্তৰাষ্ট্ৰীয় পৰ্যায়ত নিৰ্ধাৰিত দৰত গছৰ গৰাকীক ইয়াৰ লাভ্যাংশ প্ৰদান কৰা হ্ব। অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত কৃষি বিজ্ঞান কেন্দ্ৰ আৰু কৃষি গৱেষণা কেন্দ্ৰৰ সহযোগত এই চুক্তিৰ অধীনত অসমৰ ১০ খন জিলাত প্ৰাৰম্ভিক পৰ্যায়ত গছপুলি ৰোপণ কৰা হ'ব।

০০০০০

মৰিগাওঁ জিলাৰ মায়ঙৰ পবিতৰা অভয়াৰণ্যত কালি নিশা বনৰক্ষী আৰু আৰক্ষীয়ে গোপন অভিযান চলাই অত্যাধুনিক মাৰনাস্ত্ৰসহ এটা চোৰাং চিকাৰী আটক কৰিবলৈ সক্ষম হয়। পবিতৰা অভয়াৰণ্যৰ বন বিষয়া আৰু মৰিগাওঁৰ অতিৰিক্ত আৰক্ষী অধীক্ষকৰ নেতৃত্বত চলোৱা এই অভিযানত আটক কৰা চোৰাং চিকাৰীটোৰ পৰা এটা ৰাইফল, ১২ জাই গুলি আৰু এটা অত্যাধুনিক পিষ্টলো উদ্ধাৰ কৰা হয়।

০০০০০

গুৱাহাটীত আজি কমনৱেল্থ সংসদীয় সংস্থাৰ উত্তৰ-পূব সংমণ্ডলৰ কাৰ্যনিৰ্বাহকৰ বৈঠক অনুষ্ঠিত হয়। উত্তৰ-পূবৰ ৮ খন ৰাজ্যৰ বিধানসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষই অংশগ্ৰহণ কৰা এই বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অৰুণাচল বিধানসভাৰ অধ্যক্ষৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত আঠটা তৰাযুক্ত সংস্থাৰ নতুন ল'গো ব্যৱহাৰ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। আজিৰ এই বৈঠকতে উত্তৰ-পূব সংমণ্ডলৰ নতুন কমিটি গঠন কৰা হয়। নাগালেণ্ড বিধানসভাৰ অধ্যক্ষ ছাৰিংগেইন লংকুমাৰক নতুন কমিটিৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত কৰা হয়। আনহাতে অসম বিধানসভাৰ সচিব দুলাল পেগুৱে সঞ্চালক হিচাপে দায়িত্ব ভাৰ গ্ৰহণ কৰে। উল্লেখযোগ্য যে কমনৱেলথ সংসদীয় সংস্থাৰ উত্তৰ-পূব সংমণ্ডলৰ পৰৱৰ্তী বৈঠক মিজোৰামত অনুষ্ঠিত হ'ব।

০০০০০

উচ্চতম ন্যায়ালয়ে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টীৰ মুৰব্বী অৰবিন্দ কেজৰিৱালৰ অন্তৰৱৰ্তীকালীন জামিন মঞ্জুৰ কৰিছে। ন্যায়াধীশ সঞ্জীৱ খান্না আৰু দিপাংকৰ দত্তৰ খণ্ড বিচাৰপীঠৰ আদালতে সুৰা নীতি গোচৰত তিহাৰ জেলত বন্দী হৈ থকা কেজৰিৱালৰ অন্তৰৱৰ্তীকালীন জামিন অহা ১ জুনলৈ মঞ্জুৰ কৰিছে। ২ জুনত কেজৰিৱালক জেল কৰ্তৃপক্ষৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ আদালতে নিৰ্দেশ দিছে। আদালতত দুয়ো পক্ষৰ অধিবক্তাৰ যুক্তি শুনাৰ অন্তত ন্যায়াধীশদ্বয়ে দিল্লীৰ মুখ্যমন্ত্ৰী শ্ৰী কেজৰিৱালৰ জামিন আবেদন মঞ্জুৰ কৰে। উল্লেখযোগ্য যে যোৱা ২১ মাৰ্চত বিধি বলৱৎকাৰী সঞ্চালকালয়ে সুৰা নীতিৰ গোচৰত দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীক গ্ৰেপ্তাৰ কৰিছিল। ইপিনে কেজৰিৱালৰ জামিন মঞ্জুৰ কৰাৰ পাছতে আম আদমি পাৰ্টীয়ে উচ্চতম ন্যায়ালয়ক ধন্যবাদ জ্ঞাপন কৰে। এখন সংবাদমেল সম্বোধন কৰি আম আদমী পাৰ্টীৰ জ্যেষ্ঠ নেতা সৌৰভ ভৰদ্বাজ আৰু আতিচিয়ে এয়া সত্যৰ জয় বুলি অভিহিত কৰে। জেলৰ পৰা ওলোৱাৰ পাছত কেজৰিৱালে লোকসভা নিৰ্বাচনৰ প্ৰচাৰ চলাব বুলি আম আদমী পাৰ্টীৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

ঃসমাপ্তঃ